| Insurance Agents (Life) Question Bank - Assamese | | | | | | |
|---|---|---|---|---|---|---|
| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
| 1 | জীৱন বীমা পলিচিৰ অন্তৰ্গত “অবিসম্বাদিত্ব” অনুচ্ছেদে কাক সুৰক্ষা দিয়ে? | বীমাকাৰক | বীমাধাৰী ব্যক্তি | বীমা এজেণ্ট | বীমা ব্ৰ’কাৰ | 2 |
| 2 | বীমা অধিনিয়মৰ 45 নং ধাৰাই (অবিসম্বাদিত্ব অনুচ্ছেদ) বীমাকাৰকৰ দ্বাৰা দাবী অগ্ৰাহ্যকৰণৰ পৰা বীমাধাৰী ব্যক্তিক ৰক্ষা কৰে, যদিহে পলিচিখনে___________ সম্পূৰ্ণ কৰিছে। সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক | এবছৰ | তিনি বছৰ | পাঁচ বছৰ | সাত বছৰ | 2 |
| 3 | যদি পলিচি কৰাৰ তিনি বছৰৰ পিছত আত্মহত্যা জনিত কাৰণত বীমাধাৰী ব্যক্তিজনৰ মৃত্যু হয়, তেনেহ’লে “ছুইছাইড ক্ল’জ”ৰ প্ৰেক্ষিতত, দাবী হিচাবে হিতাধিকাৰীয়ে কি পাব? | একো নাপায় | বীমাধাৰীয়ে পৰিশোধ কৰা প্ৰিমিয়ামখিনি | বীমাধাৰীয়ে পৰিশোধ কৰা প্ৰিমিয়ামৰ দুগুণ ৰাশি | পলিচিখনৰ সম্পূৰ্ণ অভিহিত মূল্য | 4 |
| 4 | প্ৰথম প্ৰিমিয়ামৰ ৰচিদ / ফাৰ্ষ্ট প্ৰিমিয়াম ৰিচিপ্ট (এফ পি আৰ) মানে কি? | মুকলি বাছনিৰ সুবিধাকাল উকলি গৈছে | পলিচি চুক্তি আৰম্ভ হোৱাৰ প্ৰমাণ | পলিচিখন এতিয়া আৰু বাতিল কৰিব নোৱাৰি | পলিচিখনে এটা বিশেষ নগদ মূল্য অৰ্জন কৰিছে | 2 |
| 5 | বীমাকাৰক আৰু বীমাধাৰীৰ মাজত হোৱা চুক্তিটোৰ প্ৰমাণস্বৰূপ দলিলখনক চিনাক্ত কৰক। | প্ৰস্তাৱ-পত্ৰ | দাবী-প্ৰপত্ৰ বা ক্লেইম ফৰ্ম | নামাংকন-প্ৰপত্ৰ | পলিচি ডকুমেণ্ট | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 6 | যদি কোনো পলিচি ডকুমেণ্টত শব্দ প্ৰয়োগৰ ক্ষেত্ৰত জটিল ভাষা ব্যৱহাৰ কৰাৰ ফলত অস্বচ্ছতা বা দ্ব্যৰ্থতাৰ সৃষ্টি হয়, তেন্তে তেনে ধৰণৰ বাক্যাংশৰ ব্যাখ্যা সাধাৰণতে কেনেকৈ কৰা হয়? | বীমাধাৰী ব্যক্তি / বীমাকৃতৰ সপক্ষে | বীমাকাৰকৰ সপক্ষে | পলিচিটো বাতিল বুলি ঘোষিত হ'ব আৰু সুত সহ প্ৰিমিয়ামটো বীমাধাৰী ব্যক্তিজনলৈ ঘূৰাই দিয়াৰ বাবে বীমাকাৰকক নিৰ্দেশ দিয়া হ'ব | পলিচিটো বাতিল বুলি ঘোষিত হ'ব আৰু সুত নিদিয়াকে কেৱল প্ৰিমিয়ামটো বীমাধাৰী ব্যক্তিজনলৈ ঘূৰাই দিবলৈ বীমাকাৰকক নিৰ্দ্দেশ দিয়া হ'ব | 1 |
| 7 | বয়সৰ ক্ষেত্ৰত ভুল তথ্য পৰিৱেশন বা অসত্য সন্দৰ্ভত বৈধ বিকল্পটো বাছি লওক ।<br>I: বয়স কমকৈ দিয়াৰ ক্ষেত্ৰত মূল পলিচিখন কম ৰাশিৰ সৈতে পুনৰ জাৰি কৰা হ'ব।<br>II: বয়স বেছিকৈ দিয়াৰ ক্ষেত্ৰত সাধাৰণতে প্ৰিমিয়াম ৰাশিটো ওভতাই দিয়া হয় । | কেৱল I | কেৱল II | I আৰু II | I বা II এটাও নহয় | 3 |
| 8 | তলৰ কোনটো মানগত পলিচি ডকুমেণ্ট এখনৰ অংশ নহয়? | পলিচি অনুসূচী | মানগত সা-সুবিধাসমূহ | কোনো এটা পলিচিৰ বিশেষ উপবন্ধসমূহ | পলিচি বাজেয়াপ্ত অনুবিধি | 4 |
| 9 | বীমাকাৰক আৰু বীমাধাৰীৰ মাজত হোৱা চুক্তিটোৰ প্ৰমাণ দিয়ক। | প্ৰস্তাৱ-পত্ৰ | দাবী-প্ৰপত্ৰ / ক্লেইম ফৰ্ম | নামাংকন-প্ৰপত্ৰ | পলিচি ডকুমেণ্ট | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 10 | পলিচিৰ মানগত সা-সুবিধাৰ এটা উদাহৰণ দিয়ক । | গৰ্ভৱতী মহিলা এগৰাকীৰ জীৱনৰ ওপৰত চুক্তিটো কৰাৰ সময়ত গৰ্ভাৱস্থাজনিত মত্যুক সুৰক্ষাবেষ্টনীৰ পৰা আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে আৰোপিত এটা ধাৰা বা ক্ল'জ | ছুইছাইড ক্ল'জ | কিছুমান বিশেষ ৰোগক আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে আৰোপিত এটা ধাৰা বা ক্ল'জ | পলিচিধাৰকলৈ কিছুমান বিশেষ সুবিধা প্ৰদান কৰা এটা ধাৰা বা ক্ল'জ | 2 |
| 11 | কোনো এটা পলিচিৰ লগত জড়িত বিশেষ উপলব্ধ বা সা-সুবিধাবোৰৰ এটা উদাহৰণ দিয়ক ? | প্ৰিমিয়াম পৰিশোধ | বয়সৰ সন্দৰ্ভত অসত্য / ভুল তথ্য পৰিৱেশন | দাবী অনুবিধি | গৰ্ভৱতী মহিলা এগৰাকীৰ জীৱনৰ ওপৰত চুক্তিটো কৰাৰ সময়ত গৰ্ভাৱস্থাজনিত মত্যুক সুৰক্ষাবেষ্টনীৰ পৰা আগতীয়াকৈ বাদ দিয়াৰ অৰ্থে আৰোপিত এটা ধাৰা বা ক্ল'জ | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 12 | তলৰ কোনটোৱে এখন মানগত বীমা পলিচি ডকুমেন্টৰ প্ৰথম অংশটো গঠন কৰে ? | পলিচি অনুসূচী | মানগত সা-সুবিধাসমূহ | কোনো এটা পলিচিৰ বিশেষ উপবন্ধসমূহ | দাবী প্ৰক্ৰিয়া | 1 |
| 13 | সঠিক বিবৃতিটো বাছি উলিয়াওক। | পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে কিন্তু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰাটো বাধ্যতামূলক নহয় | পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব লাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ইয়াত ষ্টেম্প সংলগ্ন কৰিব লাগে | পলিচিখন এজন অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব নালাগে কিন্তু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰিব লাগে | পলিচিখন কোনো অৰ্হতাসম্পন্ন কৰ্তৃপক্ষই চহী কৰিব নালাগে আৰু ইণ্ডিয়ান ষ্টেম্প এক্ট অনুসৰি ষ্টেম্প সংলগ্ন কৰাৰো কোনো আৱশ্যকীয়তা নাই | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 14 | বীমাধাৰী ব্যক্তিজনে মূল জীৱন বীমা পলিচি ডকুমেণ্টখন হেৰুৱাই পেলালে কি হ’ব? | চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমা কোম্পানীয়ে এখন হুবহু প্ৰতিলিপি পলিচি জাৰি কৰিব | বীমাচুক্তিটোৰ অন্ত পৰিব | বীমাধাৰীয়ে তেওঁৰ বৰ্তমান স্বাস্থ্যৰ বিষয়ে কৰা ঘোষণাৰ ওপৰত ভিত্তি কৰি বীমা কোম্পানীয়ে পুনৰায় নতুন চৰ্ত আৰু নিয়মাৱলীৰ সৈতে এখন হুবহু প্ৰতিলিপি পলিচি জাৰি কৰিব | আদালতৰ আদেশ পোৱাৰ পিছতহে চুক্তিত কোনো পৰিবৰ্তন নকৰাকৈয়ে বীমা কোম্পানীয়ে এখন হুবহু প্ৰতিলিপি পলিচি জাৰি কৰিব | 1 |
| 15 | প্ৰথম প্ৰিমিয়ামৰ পিছত পৰবৰ্তী আৰু কোনো প্ৰিমিয়াম লাভ কৰিলে বীমা কোম্পানীয়ে নিম্নলিখিত কোনখন দলিল জাৰি কৰিব? | পুনৰচলন (ৰিভাইভেল) প্ৰিমিয়াম ৰচিদ | পুনৰপ্ৰতিষ্ঠা প্ৰিমিয়াম ৰচিদ (ৰেষ্ট’ৰেচন) | পুনৰস্থাপন প্ৰিমিয়াম ৰচিদ (ৰিইনষ্টেমেন্ট) | পুনৰনৱীকৰণ প্ৰিমিয়াম ৰচিদ (ৰিনিৱেল) | 4 |
| 16 | পলিচি এখনে নিশ্চিত সমৰ্পণ মূল্য (গেৰাণ্টীড্ চাৰেণ্ডাৰ ভেল্যু) অৰ্জন কৰিবলৈ হ’লে আইনৰ বিধি অনুসৰি ন্যূনতম কিমান দিনলৈ প্ৰিমিয়াম পৰিশোধ কৰিব লাগে? | একেৰাহে দুই বছৰ | একেৰাহে চাৰি বছৰ | একেৰাহে তিনি বছৰ | একেৰাহে পাঁচ বছৰ | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 17 | বীমা অধিনিয়ম, 1938 ৰ ___________ ৰ অধীনত বীমা পলিচি এখনত নামাংকনৰ অনুমতি আছে। | 10 নং ধাৰা | 38 নং ধাৰা | 39 নং ধাৰা | 45 নং ধাৰা | 3 |
| 18 | নিৰ্ণয় কৰক কোনটো পৰিস্থিতিত পলিচিধাৰকে এজন নিযুক্ত ব্যক্তিক (এপইণ্টী) নিযুক্ত কৰিব লগা হয়? | বীমাধাৰী ব্যক্তিজন এজন নাবালক | নামাংকিত ব্যক্তিজন নাবালক | পলিচিধাৰক জন মানসিকভাৱে সুস্থ নহয় | পলিচিধাৰক জন বিবাহিত নহয় | 2 |
| 19 | অনুগ্ৰহ-কালৰ (অনুগ্ৰহিত সময়-সীমা) উদ্দেশ্য ব্যাখ্যা কৰক। | পলিচিখন পলিচিধাৰকৰ মনঃপুত নহলে এই সময়ছোৱাত তেওঁ পলিচি বাতিল কৰিব পাৰে | ই পলিচিধাৰকলৈ প্ৰিমিয়াম পৰিশোধ কৰাৰ বাবে অতিৰিক্ত সময় মঞ্জুৰ কৰে | পলিচিধাৰকৰ কোনো ওজৰ-আপত্তি থাকিলে এই সময়ছোৱাৰ ভিতৰতেই তেওঁ অভিযোগ উত্থাপন কৰিব লাগিব | এই সময়ছোৱা পাৰ হলেই পলিচিধাৰকে তেঁওৰ সময় উকলি যোৱা প্ৰিমিয়ামখিনি অৱশ্যেই পৰিশোধ কৰিব লাগিব | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 20 | নামাংকনৰ পৰিপ্ৰেক্ষিতত নিম্নলিখিত সকলো বিবৃতি সত্য, ব্যতিক্ৰম কেৱল___________। | পলিচিৰ নামাংকন বাতিল নহয় যেতিয়া বীমাকাৰকৰ পৰা ঋণ লোৱাৰ বাবে পলিচিখন বীমাকাৰক লৈ হস্তান্তৰকৰণ কৰা হয় | পলিচি কিনাৰ সময়তেই নাইবা পিছতো নামাংকন কৰিব পাৰি | পলিচিত এটাত অনুমোদন/ পৃষ্ঠাঙ্কনৰ জৰিয়তে নামাংকন পৰিবৰ্তন কৰিব পাৰি | সমগ্ৰ দাবীৰ ওপৰত নামাংকিত ব্যক্তিৰ সম্পূৰ্ণ অধিকাৰ আছে | 4 |
| 21 | পলিচি এখনক কেতিয়া কালাতীত বুলি গণ্য কৰা হয়? | যদি নিৰ্দ্ধাৰিত তাৰিখত প্ৰিমিয়াম দিয়া নহয় | যদি নিৰ্দ্ধাৰিত তাৰিখৰ আগতে প্ৰিমিয়াম দিয়া নহয় | যদি অনুগ্ৰহ-কাল (অনুগ্ৰহিত সময়-সীমা) উকলি যোৱাৰ পিছতো প্ৰিমিয়াম দিয়া হোৱা নাই | যদি পলিচিখন সমৰ্পণ কৰা হয় | 3 |
| 22 | এনে এটা পৰিস্থিতি গঠন কৰক য'ত পলিচিৰ পুনৰচলনৰ বাবে বীমাযোগ্যতাৰ আৱশ্যক হয় । | পলিচি কালাতীত হোৱা এসপ্তাহ হৈ গৈছে | পলিচি কালাতীত হোৱা এবছৰতকৈ বেছি হৈ গৈছে | এবছৰ হ'ল পলিচি চলিত অৱস্থাত আছে | পলিচিৰ বিপৰীতে ঋণ বিচৰা হৈছে | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 23 | পলিচি-ঋণৰ সপক্ষে এটা সঙ্গত যুক্তি গঠন কৰক। | যিকোনো পৰিমাণৰ ঋণ অতি সহজেই পোৱা যাব | বীমাধাৰীয়ে ঋণৰ চৰ্ত আৰু নিয়মাৱলী নিৰ্দ্ধাৰণ কৰিব পাৰে | ঋণ পৰিশোধৰ কোনো আইনগত বাধ্যবাধকতা নাই | কোনো আনুষঙ্গিক প্ৰতিভূতিৰ আৱশ্যকীয়তা নাই | 3 |
| 24 | অনুগ্ৰহ-কালৰ (অনুগ্ৰহিত সময়-সীমা) সন্দৰ্ভত সঠিক বিবৃতিটো বাছনি কৰক। সকলোতকৈ উপযুক্ত বিকল্পটো বাছনি কৰিব | অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হ'ল এমাহ বা 31 দিন | অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হ'ল তিনি মাহ | অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হ'ল এসপ্তাহ | অনুগ্ৰহ-কালৰ মানগত দৈৰ্ঘ্য হ'ল এপষেক বা পোন্ধৰ দিন | 1 |
| 25 | নিম্নলিখিত কোনটো অলটাৰেশ্বন বা পৰিবৰ্তন বীমা কোম্পানীয়ে অনুমোদন কৰে? | এটা পলিচিক বিভাজিত কৰি দুটা বা ততোধিক পলিচিলৈ পৰিবৰ্তন কৰা | প্ৰিমিয়াম পৰিশোধৰ সময় সীমাৰ বৃদ্ধি | পলিচিটোক লাভ-সহিত আঁচনিৰ পৰা লাভ-ৰহিত আঁচনিলৈ পৰিবৰ্তন | আশ্বাসিত বীমাৰাশিৰ বৃদ্ধি | 1 |
| 26 | সমৰ্পণ মূল্যৰ ধাৰণাটো ব্যক্ত কৰক। | পলিচিত উপলব্ধ সৰ্বাধিক ক্ষতিপূৰণ | পলিচিৰ সৈতে জড়িত নগদ মূল্য, যদিহে কমেও তিনি বছৰৰ প্ৰিমিয়াম দিয়া হৈছে | পলিচিত উপলব্ধ ন্যূনতম ক্ষতিপূৰণ | কোনো প্ৰদত্ত সময়ত পলিচিত উপলব্ধ ক্ষতিপূৰণ | 2 |
| 27 | এটা পলিচিৰ অধীনত কিমানজনক নামাংকিত কৰিব পাৰি? সকলোতকৈ উপযুক্ত বিকল্পটো বাছনি কৰিব। | ঠিক এজন | ঠিক দুজন | ঠিক তিনি জন | এক বা একাধিক জন | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 28 | নামাংকনৰ উদ্দেশ্যটো ব্যাখ্যা কৰক। | পলিচিটোৰ অধিকাৰ হস্তান্তৰ কৰা | বীমাধাৰী ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত পলিচিৰ অৰ্থৰাশিটো গ্ৰহণ কৰিবলৈ ব্যক্তি এজনক নিয়োগ কৰা | পলিচিটো সমৰ্পণ কৰা | এটা সম্পত্তি সৃষ্টি কৰা | 2 |
| 29 | এছাইনমেণ্টৰ উদ্দেশ্যটো ব্যাখ্যা কৰক । | পলিচিখনৰ অধিকাৰ হস্তান্তৰ কৰা | বীমাধাৰী ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত পলিচিৰ অৰ্থৰাশিটো গ্ৰহণ কৰিবলৈ ব্যক্তি এজনক নিয়োগ কৰা | পলিচিখন সমৰ্পণ কৰা | এটা সম্পত্তি সৃষ্টি কৰা | 1 |
| 30 | পলিচি এখনৰ সাধাৰণ পুনৰচলনৰ সৈতে জড়িত প্ৰক্ৰিয়াটো বৰ্ণনা কৰক । | এটা নতুন পলিচি জাৰি কৰা, যাৰ সূচনাৰ তাৰিখটো কালাতীত পলিচিটো আৰম্ভ হোৱাৰ আচল তাৰিখটোৰ দুই বছৰৰ ভিতৰত থাকে | সুতৰ সৈতে সম্পূৰ্ণ বকেয়া প্ৰিমিয়াম পৰিশোধ কৰা | পুনৰচলনৰ উদ্দেশ্যে বিবেচনাযোগ্য মূল্য হিচাবে ব্যৱহাৰ কৰাৰ বাবে কালাতীত হোৱা পলিচিটোৰ পৰাই ঋণ লোৱা | কিস্তিত বকেয়া প্ৰিমিয়াম পৰিশোধ কৰা | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 31 | তলৰ কোনখন দলিল বয়সৰ মানগত প্ৰমাণ পত্ৰ হিচাবে স্বীকৃত নহয়? | স্কুল লিভিং ছাৰ্টিফিকেট | পাছপ'ৰ্ট | সোঁৱৰণী বা হৰস্কপ | নিয়োগকৰ্তাই দিয়া প্ৰমাণপত্ৰ | 3 |
| 32 | “প্ৰতিকূল নিৰ্বাচন” সম্পৰ্কে তলৰ কোনটো বিবৃতি শুদ্ধ? | প্ৰতিকূল নিৰ্বাচন হ'ল অনৈতিক এজেণ্ট বাছনি নকৰাটো নিশ্চিত কৰিবলৈ বীমা কোম্পানীয়ে ব্যৱহাৰ কৰা এটা পদ্ধতি | প্ৰতিকূল নিৰ্বাচন হ'ল মানুহৰ এনে এক প্ৰৱনতা যাৰ ফলত নিজৰ ক্ষতিৰ সম্ভাৱনা অতি প্ৰবল বুলি জানি বা আশঙ্কা কৰি বীমাৰ দ্বাৰা লাভৱান হোৱাৰ উদ্দেশ্যে তেওঁ বীমা কিনাৰ বাবে অধীৰ হৈ পৰে । | প্ৰতিকূল নিৰ্বাচন হ'ল সম্ভাব্য গ্ৰাহকৰ বাবে অনুপযুক্ত বীমা প্ৰডাক্ট বা পণ্যবোৰ সূচনা নকৰাটো নিশ্চিত কৰিবলৈ বীমা কোম্পানীয়ে ব্যৱহাৰ কৰা এটা পদ্ধতি | প্ৰতিকূল নিৰ্বাচন হ'ল পলিচিধাৰক সকলৰ পৰা সংগৃহীত প্ৰিমিয়ামৰাশি বিনিয়োগ কৰাৰ বাবে ভুল বিনিয়োগৰ মাধ্যম বাছনি নকৰাটো নিশ্চিত কৰিবলৈ বীমা কোম্পানীয়ে ব্যৱহাৰ কৰা এটা পদ্ধতি | 2 |
| 33 | তলত উল্লিখিত কোনজন ব্যক্তি বীমা কোম্পানীবোৰৰ দ্বাৰা উচ্চ বিপদাশংকাযুক্ত বুলি বিবেচিত হয়? আটাইতকৈ উপযুক্ত বিকল্পটো বাছনি কৰক । | যিজন ব্যক্তিয়ে নিয়মিত ‘পান মচলা’ খায় | মদ মুখত নিদিয়া মানুহ | যি সকল ব্যক্তি মানসিক উত্তেজনা প্ৰশমক আৰু অন্যান্য উদ্দীপক ঔষধৰ প্ৰভাৱাধীন | যি সকল ব্যক্তিয়ে নিয়মিতভাৱে আমিষ আহাৰ গ্ৰহণ কৰে | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 34 | তলৰ কোনজনৰ বৃত্তিগত বা পেছাগত কাৰণত স্বাস্থ্যজনিত সঙ্কটৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে? | ‘যোগাসন’ৰ প্ৰশিক্ষক | বোলছবিত ষ্টাণ্ট কৰা শিল্পী | নৈশ ক্লাবৰ নৰ্ত্তকী | অনবৰত খনিৰ ধূলিৰ মাজত থকা ব্যক্তি | 4 |
| 35 | তলৰ কোনজনৰ পেছাগত কাৰণত দুৰ্ঘটনাজনিত সঙ্কটৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক। | চিকিৎসা সম্বন্ধীয় পেছাদাৰী বা মেডিকেল প্ৰফেচনেল | টুৰিষ্ট গাইড | ঘৰ-দুৱাৰ ভঙা কামৰ বিশেষজ্ঞ | বিপণন বিষয়া যিজন নিয়মিতভাৱে কাৰ্যক্ষেত্ৰতেই থাকে | 3 |
| 36 | _____________ৰ অৰ্থ হ’ল যে যদি এটা পূৰ্ব নিৰ্দ্দিষ্ট কাৰণত আৰু প্ৰদত্ত সময়সীমাৰ ভিতৰত বীমাধাৰী ব্যক্তিৰ মৃত্যু হয়, তেনেহ’লে কেৱল এটা সংকুচিত ৰাশিৰ মৃত্যুদাবীহে পৰিশোধযোগ্য হ’ব পাৰে। | মৃত্যুৰ হাৰ | লিয়েন | প্ৰতিকূল নিৰ্বাচন | বন্ধক | 2 |
| 37 | বীমাঙ্কনৰ “সাংখ্যিক মূল্যাঙ্কন পদ্ধতি”ৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি অশুদ্ধ? | এই পদ্ধতিটোত বীমাঙ্কনকাৰীয়ে প্ৰতিটো নেতিবাচক বা প্ৰতিকূল উপাদানৰ বিপৰীতে ধনাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে | এই পদ্ধতিটোত বীমাঙ্কনকাৰীয়ে প্ৰতিটো ইতিবাচক বা অনুকূল উপাদানৰ বিপৰীতে ধনাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে | এই পদ্ধতিটোত এনেদৰে দিয়া মুঠ পইণ্টৰ পৰা সিদ্ধান্ত লোৱা হয় যে অতিৰিক্ত মৃত্যুদৰ মূল্য (ই এম আৰ) কিমান দিয়া হৈছে | এই পদ্ধতিটোত যদি ই এম আৰ খুব বেছি হয়, বীমা অস্বীকৃত হোৱাৰো সম্ভাৱনা থাকে | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 38 | বীমাঙ্কনৰ “বিবেচনা-প্ৰসূত সিদ্ধান্তমূলক পদ্ধতি”ৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি অশুদ্ধ? | এই পদ্ধতিত আত্মপ্ৰসূত বিচাৰবুদ্ধি ব্যৱহৃত হয় | বিশেষকৈ জটিল পৰিস্থিতিত এই পদ্ধতি ব্যৱহৃত হয় | এই পদ্ধতিত কোম্পানীয়ে বিশেষজ্ঞ ডাক্তৰৰ মতামত ল’ব পাৰে | এই পদ্ধতিত বীমাঙ্কনকাৰীয়ে প্ৰতিকূল উপাদানৰ বিপৰীতে ধনাত্মক বা ঋণাত্মক মূল্যাঙ্কন পইণ্ট দিয়ে | 4 |
| 39 | বিমল এজন বত্ৰিছ বছৰীয়া স্বাস্থ্যৱান, ধুমপান আৰু মদ্য-বৰ্জিত যুৱক। তেওঁ জীৱন বীমাৰ কাৰণে ABC লিমিটেড বীমা কোম্পানীত আবেদন কৰিছে । এই ক্ষেত্ৰত বীমা কোম্পানীৰ দ্বাৰা ৰিস্ক বা বিপদাশংকা গ্ৰহণৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি সত্য বুলি প্ৰতিপন্ন হ’ব? | সাধাৰণ হাৰত বিপদাশংকা গ্ৰহণ কৰা হ’ব | সাৰণীভূক্ত প্ৰিমিয়াম হাৰতকৈ অতিৰিক্ত হাৰত ৰিস্ক/বিপদাশংকা গ্ৰহণ কৰা হ’ব | আশ্বাসিত বীমাৰাশিৰ ওপৰত লিয়েন সহ বিপদাশংকা/ৰিস্ক গ্ৰহণ কৰা হ’ব | সীমিতাত্মক ধাৰাৰ সৈতে বিপদাশংকা গ্ৰহণ কৰা হ’ব | 1 |
| 40 | যদি চল্লিছ বছৰীয়া ব্ৰজেশক বীমা কোম্পানীয়ে এটা ছাব ষ্টেণ্ডাৰ্ড ৰিস্ক অথবা “নিম্ন মানবিশিষ্ট বিপদাশংকা” বুলি ধাৰণা কৰে, তেন্তে বীমা কোম্পানীৰ দ্বাৰা বিপদাশংকা গ্ৰহণৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি সত্য বুলি প্ৰতিপন্ন হ’ব? | সাধাৰণ হাৰত বিপদাশংকা গ্ৰহণ কৰা হ’ব | অপেক্ষাকৃত নিম্ন হাৰত ৰিস্ক/বিপদাশংকা গ্ৰহণ কৰা হ’ব | সাৰণীভূক্ত বা তালিকা প্ৰিমিয়াম হাৰতকৈ অতিৰিক্ত হাৰত ৰিস্ক/বিপদাশংকা গ্ৰহণ কৰা হ’ব | বিপদাশংকা গ্ৰহণ কৰা নহব | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 41 | ৰিস্ক/বিপদাশংকাৰ শ্ৰেণীবিন্যাস বুলিলে কি বুজায়? আটাইতকৈ উপযুক্ত বিকল্পটো বাছনি কৰক । | সন্মুখীন হৈ থকা ৰিস্ক/বিপদাশংকাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি প্ৰতিটো জীৱনক ভিন্ন ভিন্ন শ্ৰেণীৰ ৰিস্ক/বিপদাশংকাৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া | মানুহৰ এনে এক প্ৰৱনতা যাৰ ফলত নিজৰ ক্ষতিৰ সম্ভাৱনা অতি প্ৰবল বুলি জানি বা আশঙ্কা কৰি বীমাৰ দ্বাৰা লাভৱান হোৱাৰ উদ্দেশ্যে তেওঁ বীমা কিনাৰ বাবে অধীৰ হৈ পৰে। | জীৱন বীমাৰ প্ৰতিটো প্ৰস্তাৱৰ লগত জড়িত থকা বিপদাশংকাৰ মাত্ৰাটোৰ মূল্যায়ন কৰাৰ পিছত ৰিস্ক/বিপদাশংকাটো গ্ৰহণ কৰা হ'ব নে নহয় আৰু কৰিলে কি চৰ্তত কৰাহ'ব সেই সিদ্ধান্তটো গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া | এটা প্ৰক্ৰিয়া য'ত যিসকল আবেদনকাৰী একে মাত্ৰাৰ বিপদাশংকাৰ সন্মুখীন হৈ আছে, তেওঁলোকক একেটা প্ৰিমিয়াম হাৰৰ শ্ৰেণীভুক্ত কৰা হয়\| | 1 |
| 42 | ____________ৰ অৰ্থ হ'ল যে বীমাৰ বাবে আবেদন কৰা মানুহবোৰৰ ভিতৰত যিবোৰ মানুহ একে মাত্ৰাৰ ৰিস্ক/বিপদাশংকাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে, তেওঁলোকক একেটা প্ৰিমিয়াম হাৰত শ্ৰেণীভুক্ত কৰা । | ৰিস্ক/বিপদাশংকাৰ বাছনি | প্ৰতিকূল নিৰ্বাচন | নৈতিক সঙ্কট | ইকুইটি | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 43 | ৰিস্ক/বিপদাশংকাৰ শ্ৰেণীবিন্যাসৰ “নিম্ন মানবিশিষ্ট জীৱন” সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি শুদ্ধ? আটাইতকৈ উপযুক্ত বিকল্পটো বাছনি কৰক। | নিম্ন মানবিশিষ্ট জীৱনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীৱন যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মৃত্যুদৰ তালিকাত থকা মানগত জীৱনৰ হাৰৰ সৈতে খাপ খাই যায় | নিম্ন মানবিশিষ্ট জীৱনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীৱন যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত জীৱনৰ মৃত্যুদৰতকৈ যথেষ্ট কম হয় আৰু সেয়েহে তেওঁলোকৰ পৰা কম প্ৰিমিয়াম দাবী কৰিব পাৰি | নিম্ন মানবিশিষ্ট জীৱনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীৱন যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত বা গড় মৃত্যুদৰতকৈ বেছি, কিন্তু তথাপিও বীমাযোগ্য বুলি বিবেচনা কৰা হয় | নিম্ন মানবিশিষ্ট জীৱনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীৱন যিবোৰৰ দৌৰ্বল্য আৰু প্ৰত্যাশিত অতিৰিক্ত মৃত্যুৰ হাৰ ইমান বেছি যে এটা সামৰ্থ্যযোগ্য ন্যায্য দামত তেওঁলোকক বীমা সুৰক্ষা দিয়াটো অসম্ভৱ হৈ পৰে | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 44 | ৰিস্ক/বিপদাশংকাৰ শ্ৰেণীবিন্যাসৰ অধীনত “অস্বীকৃত জীবন” সম্পৰ্কে দিয়া তলৰ কোনটো বিবৃতি শুদ্ধ? আটাইতকৈ উপযুক্ত বিকল্পটো বাছি লওক। | অস্বীকৃত জীবনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীবন যিবোৰৰ প্ৰত্যাশিতমৃত্যুৰ হাৰ মৃত্যুদৰ তালিকাত থকা মানগত জীবনৰ হাৰৰ সৈতে খাপ খাই যায় | অস্বীকৃত জীবনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীবন যিবোৰৰ দৌৰ্বল্য আৰু প্ৰত্যাশিত অতিৰিক্ত মৃত্যুৰ হাৰ ইমান বেছি যে এটা সামৰ্থ্যযোগ্য ন্যায্য দামত এওঁলোকক বীমা সুৰক্ষা দিয়াটো অসম্ভৱ হৈ পৰে | অস্বীকৃত জীবনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীবন যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত বা গড় মৃত্যুদৰতকৈ বেছি, কিন্তু তথাপিও বীমাযোগ্য বুলি বিবেচনা কৰা হয় | অস্বীকৃত জীবনৰ অন্তৰ্ভূক্ত হ’ল সেইবোৰ জীবন যিবোৰৰ প্ৰত্যাশিত মৃত্যুৰ হাৰ মানগত জীবনৰ মৃত্যুদৰতকৈ যথেষ্ট কম হয় আৰু সেয়েহে তেওঁলোকৰ পৰা কম প্ৰিমিয়াম দাবী কৰিব পাৰি | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 45 | যদি কোনো বীমা কোম্পানীয়ে এটা বিপদাশংকা/ৰিস্ক আশ্বাসিত বীমাৰাশিৰ ওপৰত “লিয়েন” অৰ্থ্যাৎ “গ্ৰহণাধিকাৰ” সহ স্বীকাৰ কৰে, তেনেহ’লে ই কি সূচায়? | লিয়েনৰ অৰ্থ হৈছে যদি কোনো নিৰ্দ্দিষ্ট কাৰণত আৰু এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত জীবন বীমাধাৰী ব্যক্তিৰ মৃত্যু হয়, তেনেহ’লে এটা সঙ্কুচিত পৰিমাণৰ মৃত্যু সুবিধা প্ৰদানযোগ্য হ’ব | লিয়েনৰ অৰ্থ হৈছে কোম্পানীয়ে এটা সীমিত সময়ৰ বাবে ৰিস্ক/বিপদাশংকাটো গ্ৰহণ কৰি আছে | লিয়েনৰ অৰ্থ হৈছে কোম্পানীয়ে সাৰণীভূক্ত প্ৰিমিয়াম হাৰৰ তুলনাত কম প্ৰিমিয়ামত ৰিস্ক/বিপদাশংকা গ্ৰহণ কৰি আছে | লিয়েনৰ অৰ্থ হৈছে বীমা প্ৰস্তাৱটো এটা নিৰ্দ্দিষ্ট সময়ৰ বাবে মুলতুবি ৰখা হৈছে | 1 |
| 46 | যিক্ষেত্ৰত বীমাকাৰকে পলিচিটোৰ ম্যাদ শেষ হোৱাৰ পিছত এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ধনৰাশি বীমাধাৰীক পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু যদি পলিচিৰ ম্যাদ শেষ হোৱালৈকে বীমাধাৰী জীৱিত অৱস্থাত থাকে, তেতিয়া এই দাবীক____________বুলি কোৱা হয় । | বিদ্যমানতাৰ সুবিধাৰ পৰিশোধ | পলিচি সমৰ্পণ | মৃত্যুদাবী | ম্যাদপূৰ্তিৰ দাবী | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 47 | যদি পলিচি ম্যাদৰ অন্তৰ্ৱৰ্তী সময়কালীন বীমা কোম্পানীয়ে নিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত বীমাধাৰী ব্যক্তিক পৰ্য্যাবৃত্তিক পৰিশোধ কৰে, তেনেহ’লে এই পৰিশোধবোৰ__________ _অনুযায়ী কৰা হৈ আছে। | বিদ্যমানতাৰ সুবিধাৰ পৰিশোধ | পলিচি সমৰ্পণ | ওপৰঞ্চি সুবিধা বা ৰাইডাৰ বেনিফিট | চৰ্ত সাপেক্ষ হস্তান্তৰকৰণ | 1 |
| 48 | এটা জীবন বীমা কোম্পানীয়ে পলিচিৰ ম্যাদৰ ভিতৰত হাস্পতালত ভৰ্তি হৈ চিকিৎসা কৰোতে হোৱা ব্যয়টো বীমাধাৰী ব্যক্তিক পৰিশোধ কৰিছে। এইটো হ’ল________________ৰ এটা উদাহৰণ। | বিদ্যমানতাৰ সুবিধাৰ পৰিশোধ | পলিচি সমৰ্পণ | ওপৰঞ্চি সুবিধা বা ৰাইডাৰ বেনিফিট | চৰ্ত সাপেক্ষ হস্তান্তৰকৰণ | 3 |
| 49 | ABC বীমা কোম্পানীয়ে বিদ্যমানতাৰ দাবীৰ সুবিধা থকা বীমা আঁচনি এখন কৃষ্ণলৈ আগবঢ়াইছে। কোম্পানীয়ে এই জীৱিতাৱস্থাৰ দাবীটো কেনেকৈ নিৰ্ণয় কৰিব? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক। | পলিচিটোত থকা চৰ্ত অনুযায়ী দাবীটো নিৰ্ণয় কৰা হ’ব৷ | তাৰিখবোৰৰ ওপৰত ভিত্তি কৰি দাবীটো নিৰ্ণয় কৰা হব যিবোৰ চুক্তিটোৰ আৰম্ভণিত নিজে নিজে নিৰ্ধাৰিত হয়৷ | দাবীৰ উদ্ভৱ হব যেতিয়া পলিচিধাৰকে চুক্তিটো বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিব | তেখেতৰ দাবীটোৰ সমৰ্থনত পলিচিধাৰকে আগবঢ়োৱা চিকিৎসা সংক্ৰান্তীয় আৰু অন্য তথ্যবোৰৰ ওপৰত ভিত্তি কৰি দাবীটো নিৰ্ণয় কৰা হ’ব। | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 50 | ABC বীমা কোম্পানীৰ পৰা কবিতাই ক্ৰিটিকেল ইলনেচ বা সংকটজনক ৰোগৰ (CI) ওপৰঞ্চি সুবিধা বা ৰাইডাৰ বেনিফিট এটাৰ সৈতে সময় ম্যাদী বীমা আঁচনি এটা ক্ৰয় কৰিছে । CI ওপৰোঞ্চি সুবিধা বা ৰাইডাৰ বেনিফিটটোৰ বাবে কোম্পানীয়ে দাবীটো কেনেকৈ নিৰ্ণয় কৰিব? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক। | পলিচিত থকা চৰ্ত অনুযায়ী দাবীটো নিৰ্ণয় কৰা হ'ব | তাৰিখবোৰৰ ওপৰত ভিত্তি কৰি দাবীটো নিৰ্ণয় কৰা হব যিবোৰ চুক্তিটোৰ আৰম্ভণিত নিজে নিজে নিৰ্ধাৰিত হয়| | দাবীৰ উদ্ভৱ হব যেতিয়া পলিচিধাৰ কে চুক্তিটো বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিব | তেখেতৰ দাবীটোৰ সমৰ্থনত পলিচিধাৰ কে আগবঢ়োৱা চিকিৎসা সংক্ৰান্তীয় আৰু অন্য তথ্যবোৰৰ ওপৰত ভিত্তি কৰি দাবীটো নিৰ্ণয় কৰা হ'ব। | 4 |
| 51 | ________হৈছে এটা চাহিদা, যিটো বীমাকাৰীয়ে চুক্তিত নিৰ্দ্ধাৰিত প্ৰতিশ্ৰুতি অনুযায়ী পালন কৰিব লাগে। | দাবী | অগ্ৰাহ্যকৰণ | পূৰ্বাৰসান বা ফ'ৰক্ল'জাৰ | অভাৱ-অভিযোগ | 1 |
| 52 | পলিচিটোৰ "সমৰ্পণ" টোৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি অশুদ্ধ? | বীমাধাৰী ব্যক্তিলৈ প্ৰদানযোগ্য সমৰ্পণ মূল্যটো সাধাৰণতে প্ৰদত্ত প্ৰিমিয়ামটোৰ এটা শতাংশ হয় | পৰিশোধিত মূল্যটো (পেইড আপ ভেল্যু) প্ৰাপ্তিতহে পলিচি এটা সমৰ্পণ কৰিব পাৰি | পলিচিধাৰকক পৰিশোধ কৰা প্ৰকৃত সমৰ্পণ মূল্যটো মুঠ সমৰ্পণ মূল্যতকৈ (গ্ৰ'ছ ছাৰেণ্ডাৰ ভেল্যূ) সদায় কম হয় | বীমাধাৰী ব্যক্তিৰ দ্বাৰা পলিচি চুক্তিটোৰ স্বেচ্ছামূলক সমাপনৰ ক্ষেত্ৰত সমৰ্পণ মূল্যটো পৰিশোধ কৰিব পাৰি | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 53 | “সংকটজনক ৰোগ বা গুৰুতৰ ৰোগৰ ৰাইডাৰ বা ওপৰঞ্চি সুবিধা”ৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি অশুদ্ধ? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক । | গুৰুতৰ ৰোগ ধৰা পৰিলে পলিচিৰ চৰ্ত অনুযায়ী এটা নিৰ্দ্দিষ্ট ৰাশি পৰিশোধ কৰা হয়। | ৰোগটো বীমা কোম্পানীৰ দ্বাৰা নিৰ্দ্দিষ্ট কৰা সংকটজনক বা গুৰুতৰ ৰোগৰ তালিকাখনৰ অন্তৰ্ভুক্ত হ’ব লাগিব। | CI ওপৰঞ্চি সুবিধাটো হৈছে পলিচিবোৰৰ এটা উদাহৰণ যিটো পলিচীৰ ম্যাদৰ ভিতৰত উত্থাপিত হ’ব পাৰে | ৰাইডাৰ বা ওপৰঞ্চি সুবিধাৰ পৰিশোধবোৰ প্ৰদান কৰাৰ পিছত জীবন বীমা চুক্তিৰ সমাপ্তি ঘটে। | 4 |
| 54 | নিমেষে 20 বছৰীয়া ইউনিট-লিংকড্ বীমা আঁচনি এখন ক্ৰয় কৰিছে । পলিচিৰ ম্যাদৰ ভিতৰত নিমেষৰ মৃত্যু হ’লে তলৰ কোনটো পৰিশোধ কৰা হ’ব? | সমৰ্পণ মূল্য পৰিশোধ কৰা হ’ব | পাবলগীয়া কাটি লৈ প্ৰদত্ত সমুদায় প্ৰিমিয়াম ঘূৰাই দিয়া হ’ব | আশ্বাসিত বীমাৰাশি আৰু পুঁজিমূল্যৰ মাজত যিটো কম সেইটো দিয়া হ’ব | আশ্বাসিত বীমাৰাশি আৰু পুঁজিমূল্যৰ মাজত যিটো বেছি সেইটো দিয়া হ’ব | 4 |
| 55 | প্ৰস্তাৱ পত্ৰত বীমাধাৰী ব্যক্তিয়ে পৰিবেশন কৰা গুৰুত্বপূৰ্ণ তথ্যসমূহ অসত্য হ’লে কিমান সময়সীমাৰ ভিতৰত বীমা কোম্পানীয়ে এটা পলিচি অস্বীকাৰ কৰিব পাৰে? | 15 দিনলৈকে | 6 মাহলৈকে | 1 বছৰলৈকে | 3 বছৰলৈকে | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 56 | পলিচিধাৰক সকলৰ হিতৰ সুৰক্ষাৰ বাবে থকা আই আৰ ডি এ বিনিয়মসমূহ, 2017 অনুযায়ী, কোম্পানীয়ে প্ৰাসঙ্গিক সকলো নথিপত্ৰ আৰু আৱশ্যকীয় স্পষ্টীকৰণ পোৱাৰ পিছত জীৱন বীমা পলিচিৰ অধীনত উত্থাপিত দাবী এটা পৰিশোধ নাইবা প্ৰতিৰোধ কৰাৰ নিৰ্দ্ধাৰিত সময়সীমা কিমান? | 15 দিনৰ ভিতৰত | 20 দিনৰ ভিতৰত | 30 দিনৰ ভিতৰত | 3 মাহৰ ভিতৰত | 3 |
| 57 | বীমাধাৰী ব্যক্তিৰ মৃত্যুৰ অনুমানৰ ক্ষেত্ৰত তলৰ কোনখন দলিল নামাংকিত ব্যক্তিজনে দাখিল কৰিব লাগিব? | পৌৰনিগমে জাৰি কৰা মৃত্যুৰ প্ৰমাণপত্ৰ | দক্ষ আদালতৰ নিৰ্দেশ | নিয়োগকৰ্তাই দিয়া প্ৰমাণপত্ৰ | ন্যায়িক তদন্তৰ প্ৰতিবেদন | 2 |
| 58 | ব্ৰিজেশে ABC বীমা কোম্পানীৰ পৰা 20 বছৰীয়া ULIP প্লেন এটা ক্ৰয় কৰিছে। যদি পলিচিটোৰ ম্যাদ পূৰ্ণ হোৱাৰ আগতে ব্ৰিজেশৰ মৃত্যু হয় তেন্তে বীমা কোম্পানীয়ে____________________ পৰিশোধ কৰিব লাগিব। | সমৰ্পণ মূল্য | পাবলগীয়াখিনি কাটি ৰাখি গোটেই প্ৰিমিয়াম | আশ্বাসিত বীমাৰাশি বা পুঁজিমূল্যৰ ভিতৰত যিটো কম হব সেইটো দিব লাগিব | আশ্বাসিত বীমাৰাশি বা পুঁজিমূল্যৰ ভিতৰত যিটো বেছি হব সেইটো দিব লাগিব | 4 |
| 59 | তলত উল্লিখিত দাবীসমূহৰ কোনটো কেৱল নামাংকিত ব্যক্তি বা এচাইনীক পৰিশোধ কৰিব পাৰি? | মৃত্যুৰ দাবী | ম্যাদপূৰ্তিৰ দাবী | বিদ্যমানতাৰ সুবিধা | সমৰ্পণ মূল্য | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 60 | তলৰ নথিবোৰৰ কোনখন স্বাভাৱিক মৃত্যুৰ তুলনাত দুৰ্ঘটনাজনিত মৃত্যুৰ দাবী উত্থাপনৰ বাবে দাখিল কৰিব লগা অতিৰিক্ত নথি? | সমাধিস্থ বা শৰদাহ কৰাৰ প্ৰমাণপত্ৰ | শুশ্ৰুষা কৰা চিকিৎসকে দিয়া প্ৰমাণপত্ৰ | প'ষ্ট মৰ্টেম ৰিপোৰ্ট | নিয়োগকৰ্তাই দিয়া প্ৰমাণপত্ৰ | 3 |
| 61 | বীমাধাৰী ব্যক্তিৰ স্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত তলৰ কোনটো নথি নামাংকিত ব্যক্তিজনে দাখিল কৰিব লাগিব? আটাইতকৈ যোগ্য বিকল্পটো বাছনি কৰক । | ন্যায়িক তদন্তৰ প্ৰতিবেদন | মৃত্যুৰ প্ৰমাণপত্ৰ | প'ষ্ট মৰ্টেম ৰিপোৰ্ট | প্ৰথম তথ্যৰ প্ৰতিবেদন( এফ আই আৰ) | 2 |
| 62 | ৰাহুলে ABC বীমা কোম্পানীৰ পৰা 20 বছৰৰ কাৰণে বীমা সুৰক্ষা ক্ৰয় কৰিছিল । 20 বছৰ সম্পূৰ্ণ হোৱাৰ পিছত ম্যাদপূৰ্তিৰ দাবী হিচাবে কোম্পানীয়ে ৰাহুলক পুঁজিৰ মূল্যটো পৰিশোধ কৰিছে। ৰাহুলে কোন প্ৰকাৰৰ আঁচনি লৈছিল? | অংশগ্ৰহণ কাৰী আঁচনি | প্ৰিমিয়াম প্ৰত্যৰ্পণ আঁচনি | ইউলিপ | মানি বেক আঁচনি | 3 |
| 63 | 25 বছৰৰ বাবে বিশালে 50 লাখ টকাৰ বীমা লৈছিল । ম্যাদপূৰ্তিত, বীমাকাৰকে পলিচিৰ ম্যাদৰ ভিতৰত প্ৰদান কৰা বিদ্যমানতাৰ সুবিধাখিনি কাটি লৈ ম্যাদপূৰ্তিৰ দাবী পৰিশোধ কৰিলে । বিশালে কোন প্ৰকাৰৰ আঁচনি লৈছিল? | অংশ গ্ৰহণকাৰী আঁচনি | প্ৰিমিয়াম প্ৰত্যৰ্পণ আঁচনি | ইউলিপ | মানি বেক আঁচনি | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 64 | সুধীৰে ABC বীমা কোম্পানীৰ পৰা 20 বছৰ আগতে 25 লাখ টকাৰ বীমা সুৰক্ষা লৈছিল ।ম্যাদ সম্পূৰ্ণ হোৱাৰ পিছত কোম্পানীয়ে ম্যাদপূৰ্তিৰ দাবী হিচাবে আশ্বাসিত বীমা ৰাশিৰ লগত সংলগ্ন বোনাচ যোগ কৰি তাৰ পৰা দেয়খিনি (বকেয়া প্ৰিমিয়াম) কাটি লৈ পৰিশোধ কৰিছে ।সুধীৰে কোন প্ৰকাৰৰ আঁচনি লৈছিল? | অংশ গ্ৰহণকাৰী আঁচনি | প্ৰিমিয়াম প্ৰত্যৰ্পণ আঁচনি | ইউলিপ | মানি বেক আঁচনি | 1 |
| 65 | কপিলে 25 বছৰৰ কাৰণে 50 লাখ টকাৰ বীমা সুৰক্ষা লৈছিল। পলিচিৰ ম্যাদৰ ভিতৰত এটা মটৰ দূৰ্ঘটনাত কপিলৰ মৃত্যু হ'ল আৰু কোম্পানীয়ে তেওঁৰ নামাংকিত ব্যক্তিজনক আশ্বাসিত বীমা ৰাশি আৰু সংলগ্ন বোনাচ পৰিশোধ কৰিলে। বীমা কোম্পানীয়ে এয়া কোন প্ৰকাৰৰ দাবী পৰিশোধ কৰিলে? | ম্যাদপূৰ্তিৰ দাবী | মৃত্যুৰ দাবী | ৰাইডাৰ বা ওপৰঞ্চি সুবিধা | বিদ্যমানতাৰ সুবিধা | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 66 | বীমাকাৰক সকলৰ কিয় গুৰুত্বপূৰ্ণ তথ্যৰ প্ৰয়োজন হয়? | তথ্য প্ৰতিপাদনৰ উদ্দেশ্যে | ৰিস্ক বা বিপদাশংকা গ্ৰহণ তথা সংশ্লিষ্ট চৰ্ত আৰু নিয়মাৱলীৰ বিষয়ে সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে | নিয়ন্ত্ৰণকাৰীৰ আৱশ্যকীয়তা পূৰণৰ উদ্দেশ্যে | গ্ৰাহক-সেৱা উন্নীতকৰণৰ উদ্দেশ্যে | 2 |
| 67 | এটা বৈধ চুক্তিৰ কোনটো উপাদানৰ সৈতে প্ৰিমিয়াম সম্পৰ্কিত? | প্ৰস্তাৱ আৰু স্বীকৃতি | পক্ষসমূহৰ চুক্তি কৰাৰ অৰ্হতা/সক্ষমতা | মুক্ত সন্মতি | বিবেচনাযোগ্য মূল্য | 4 |
| 68 | প্ৰতাৰণাৰ উদ্দেশ্যে কৰা অশুদ্ধ বিবৃতিসমূহৰ সৈতে সম্পৰ্কিত বিকল্পটো চিনাক্ত কৰক । | পৰিৱেশন | অসত্য বা ভ্ৰমাত্মক তথ্য পৰিৱেশন | বলপ্ৰয়োগ | প্ৰবঞ্চনা | 2 |
| 69 | এটা বৈধ চুক্তি ৰূপে গণ্য হ'ব পৰা বিকল্পটো চিনাক্ত কৰক । | ৰমেশে তেওঁৰ বন্ধুৰ পৰা নিচেই সস্তা দামত এটা সম্পত্তি ক্ৰয় কৰিছে | ৰমেশে এটা চুক্তিত আবদ্ধ হোৱাৰ সময়ত সুস্থ মানসিক অৱস্থাত নাছিল | এটা চুক্তি লাভ কৰাৰ কাৰণে ৰমেশে বিষয়া এজনক উৎকোচ/ঘোচ দিছে | মহেশৰ হতুৱাই চুক্তি এটা চহী কৰাবলৈ ৰমেশে অশুদ্ধ তথ্য পৰিৱেশন কৰিছে | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 70 | জুৱা খেল আৰু বীমাৰ মাজত তুলনা কৰক। | জুৱা খেল আৰু বীমা একেই | জুৱা খেলত বীমাযোগ্য স্বাৰ্থ জড়িত নাথাকে, কিন্তু বীমাত থাকে | বীমাৰ পৰিণতি কেৱল লাভজনক হয়, কিন্তু জুৱা খেলৰ পৰিণাম লোকচানো হ'ব পাৰে | জুৱা খেল আইনতঃ কাৰ্য্যকৰী, কিন্তু বীমা নহয় | 2 |
| 71 | আমাৰ বাবে "আসঞ্জনৰ চুক্তি"ৰ সাৰাংশ প্ৰস্তুত কৰক। | এই চুক্তিবোৰৰ খচৰা উভয় পক্ষই কৰে আৰু উভয়েই মানি চলিব লাগে | এই খচৰাবোৰ এটা পক্ষই কৰে আৰু আনটো পক্ষই কেৱল চুক্তিটো গ্ৰহণ নাইবা প্ৰত্যাখ্যান কৰিব পাৰে | এই খচৰাবোৰ এটা পক্ষই কৰে আৰু আনটো পক্ষই চুক্তিটো গ্ৰহণ কৰিব লাগে | এই চুক্তিবোৰ উভয় পক্ষৰ বাবে বাধ্যতামূলক | 2 |
| 72 | ৰমেশে তেওঁৰ কোম্পানীটো বিক্ৰী কৰাৰ আগতে ইয়াৰ উদ্‌বৃত্তপত্ৰ বা বেলেন্স শ্বীটত তথ্য বিকৃত কৰিছে। তেওঁৰ এই কাৰ্য্যটো তলৰ বিকল্পসমূহৰ কোনো এটাত শ্ৰেণীবদ্ধ কৰক। | ভুল-ভ্ৰান্তি | বলপ্ৰয়োগ | অসত্য বা ভ্ৰমাত্মক তথ্য পৰিবেশন | প্ৰবঞ্চনা | 4 |
| 73 | জীৱন বীমাৰ বিষয়বস্তু কি? | প্ৰিমিয়াম | মানব জীৱন | সম্পত্তি | সুনাম | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 74 | এনে এটা দৃশ্যপট বাছনি কৰক যিটোৱে “পৰম বিশ্বাস” ৰ নীতিটো সুচাৰু ৰূপে প্ৰদৰ্শন কৰে। | সময়মতে প্রিমিয়াম পৰিশোধ কৰা | এখন বীমা প্ৰস্তাৱ পত্ৰত সকলো গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰা | এখন বীমা প্ৰস্তাৱ পত্ৰত সকলো গুৰুত্বপূৰ্ণ তথ্য ভুৱা দিয়া | এখন বীমা প্ৰস্তাৱ পত্ৰত সকলো অপ্ৰাসঙ্গিক তথ্য প্ৰকাশ কৰা | 2 |
| 75 | জীবন বীমাৰ পৰিপ্ৰেক্ষিতত তলৰ দুটা বিবৃতিলৈ মন কৰক আৰু সঠিকটো (বোৰ) বাছি লওক।<br>I: বয়স হৈছে এটা গুৰুত্বপূৰ্ণ তথ্য আৰু ই বীমাঙ্কনৰ চৰ্তবোৰ প্ৰভাৱান্বিত কৰিব পাৰে।<br>II. যদি বয়সৰ তাৰতম্য ধৰা পৰে, তেন্তে ইয়াৰ প্ৰভাৱ কেৱল প্রিমিয়ামৰ হাৰৰ ওপৰতহে পৰে। | কেৱল বিবৃতি I হৈছে শুদ্ধ | কেৱল বিবৃতি II হৈছে শুদ্ধ | বিবৃতি I আৰু II দুয়োটাই শুদ্ধ | বিবৃতি I আৰু II এটাও শুদ্ধ নহয় | 1 |
| 76 | অলিখিত আইনৰ অধীনত চুক্তি পালন কৰাৰ কাৰণ এটা বাছি লওক। | হতাশা | ভুল-ভ্ৰান্তি | অসত্য/ভ্ৰমাত্মক তথ্য পৰিবেশন | তথ্য গোপন কৰা | 3 |
| 77 | এটা বীমাচুক্তি ক্ৰয় কৰিলে বীমা চুক্তিৰ চৰ্তসমূহ সন্নিৱিষ্ট কৰাৰ বাবে যিখন দলিল ব্যৱহাৰ কৰা হয় সেইখন চিহ্নিত কৰক।সবাতকৈ উপযুক্ত বিকল্পটো বাছি লওক। | পলিচি | সন্মতি | কৰ্তৃত্ব প্ৰদান | পৃষ্ঠাঙ্কন | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 78 | জীৱন বীমাৰ বিষয়বস্তুৰ ওপৰত বীমাধাৰী ব্যক্তিৰ যিটো স্বাৰ্থ থাকে সেইটোক চিহ্নিত কৰক । সবাতোকৈ উপযুক্ত বিকল্পটো বাছি লওঁক । | লাভকল্পি/কাল্পনিক স্বাৰ্থ | বাজি ৰখাৰ স্বাৰ্থ | বীমাযোগ্য স্বাৰ্থ | ক্ষতিপূৰণৰ স্বাৰ্থ | 3 |
| 79 | বীমাকাৰক আৰু বীমাধাৰী ব্যক্তিৰ মাজত হোৱা চুক্তিটো কি দৰে বৰ্ণনা কৰিব? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছি লওক । | অন্তৰ্বৰ্তী চুক্তি | সাময়িক চুক্তি | অপৰিবৰ্তনীয় চুক্তি | সম্ভাব্য ঘটনা সাপেক্ষ চুক্তি | 4 |
| 80 | বিধিসন্মত সাধাৰণ চুক্তিসমূহ আৰু বীমা চুক্তিসমূহৰ মাজৰ পাৰ্থক্যটো হ'ল: | বীমা চুক্তিবোৰ হৈছে পৰম বিশ্বাসৰ চুক্তি | বীমা চুক্তিবোৰ হৈছে আইনতঃ কাৰ্য্যকৰী কৰিব পৰা চুক্তি | বীমা চুক্তিবোৰ সদায় লাভদায়ক | বীমা চুক্তিবোৰ কোনো বিনিয়মৰ নিয়ন্ত্ৰণাধীন নহয় | 1 |
| 81 | মিঃ ৰাজনক ভাল দৰে বুজাই দিয়ক জীৱন বীমাৰ পৰিপ্ৰেক্ষিতত কোন ক্ষেত্ৰত / কোন সময়ত বীমাযোগ্য স্বাৰ্থ থকাটো আৱশ্যক । | কেৱল পলিচি লোৱাৰ সময়ত | কেৱল দাবী উত্থাপন কৰাৰ সময়ত | পলিচি লোৱাৰ আৰু দাবী উত্থাপন কৰাৰ সময়ত | জীৱন বীমাৰ ক্ষেত্ৰত বীমাযোগ্য স্বাৰ্থ থকাৰ কোনো আৱশ্যকীয়তা নাই | 1 |
| 82 | মিছ্ অনীতাক ভাল দৰে বুজাই দিয়ক সম্পত্তি বীমাৰ পৰিপ্ৰেক্ষিতত কোন ক্ষেত্ৰত / কোন সময়ত বীমাযোগ্য স্বাৰ্থ থকাটো আৱশ্যক । | কেৱল পলিচি লোৱাৰ সময়ত | কেৱল দাবী উত্থাপন কৰাৰ সময়ত | পলিচি লোৱাৰ আৰু দাবী উত্থাপন কৰাৰ সময়ত | সম্পত্তি বীমাৰ ক্ষেত্ৰত বীমাযোগ্য স্বাৰ্থ থকাৰ কোনো আৱশ্যকীয়তা নাই | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 83 | মি: মহেশে তেওঁৰ নিজৰ ঘৰটোৰ এটা বীমা কৰালে । বীমা কৰাৰ কেইমাহমান পিছতেই তেওঁ ঘৰটো বিক্ৰী কৰি দিয়ে ।যদি ঘৰটোৰ কিবা ক্ষয়-ক্ষতি হয়, মহেশে দাবীটো ল'ব পাৰে নে? | হয় পাৰে, কিয়নো পলিচি লোৱাৰ সময়ত বীমাযোগ্য স্বাৰ্থ বিদ্যমান আছিল | হয় পাৰে, যদিহে ঘৰৰ বৰ্তমান গৰাকীয়ে অনুমতি দিয়ে | হয় পাৰে, যদিহে ঘৰ বিক্ৰী কৰাৰ এবছৰৰ ভিতৰত ক্ষয়-ক্ষতি হৈছে | নহয় নোৱাৰে, কিয়নো কোনো বীমাযোগ্য স্বাৰ্থ বিদ্যমান নাই | 4 |
| 84 | মিঃ ৰাজন ঘোঁৰাৰ পৰা ভূপতিত হৈ বাটৰ বোকাপানীৰ গাঁতত পৰি গ'ল ।পৰি গৈ ভৰি ভাগি যোৱাৰ বাবে তেওঁ বহু সময় ধৰি জমা হোৱা বোকাপানীৰ মাজত পৰি থাকিব লগা হ'ল যাৰ ফলত তেওঁ গুৰুতৰ নিউম'নিয়াত আক্ৰান্ত হ'ল । তেওঁক ওচৰৰ হাস্পতালত ভৰ্তি কৰা হ'ল য'ত নিউম'নিয়াৰ কাৰণে তেওঁৰ মৃত্যু হ'ল । এই ক্ষেত্ৰত তেওঁৰ মৃত্যুৰ প্ৰত্যক্ষ কাৰণটো কি? | নিউম'নিয়া | ভূপতিত হোৱাৰ ফলস্বৰূপে তেওঁৰ ভৰি আঘাতপ্ৰাপ্ত হোৱা | চিকিৎসকসকলৰ অৱহেলা | হাস্পতালৰ চিকিৎসা প্ৰণালী | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 85 | ৰমেশ এজন বিবাহিত ব্যক্তি আৰু তেওঁ তেওঁৰ বন্ধুৰ জীৱনৰ ওপৰত এটা জীৱন বীমা সুৰক্ষা ক্ৰয় কৰিব বিচাৰে। এইটো কৰিবলৈ তেওঁ সক্ষম হ'ব নে। | হয়, ৰমেশে তেওঁৰ বন্ধুৰ জীৱনৰ ওপৰত বীমা কিনিব পাৰে | নহয়, ৰমেশে তেওঁৰ বন্ধুৰ জীৱনৰ ওপৰত বীমা কিনিব নোৱাৰে কাৰণ তেওঁ বিবাহিত | নহয়, ৰমেশে তেওঁৰ বন্ধুৰ জীৱনৰ ওপৰত বীমা কিনিব নোৱাৰে কাৰণ ইয়াত কোনো বীমাযোগ্য স্বাৰ্থ নাই | নহয়, "ক্ৰেতা সাৱধান" নীতিটোৰ বাবে ৰমেশে তেওঁৰ বন্ধুৰ জীৱনৰ ওপৰত বীমা কিনিব নোৱাৰে | 3 |
| 86 | নিম্নোক্ত শাখাবোৰৰ কোনটোৱে ভাৰতবৰ্ষত বীমা কোম্পানীবোৰক নিয়ন্ত্ৰণ কৰে? | RBI আৰু বিত্ত মন্ত্ৰণালয় | SEBI আৰু AMFI একেলগে | IRDA | বিত্ত মন্ত্ৰণালয় | 3 |
| 87 | তলৰ কোনটোক IRDA য়ে নিয়ন্ত্ৰণ নকৰে? | তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰ (TPAs) | বীমাৰ ব্ৰকাৰবোৰ | CASA এজেন্টবোৰ | বাণিজ্যিক এজেন্টবোৰ | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 88 | তলৰ কোনটো উক্তি শুদ্ধ? | বীমাৰ নিয়মাৱলীৰ মুখ্য উদ্দেশ্যটো হ’ল পলিচীধাৰকৰ হিত সুৰক্ষিত কৰা | IRDA য়ে প্ৰস্তুত কৰা নিয়মাৱলী বোৰে নিশ্চিত কৰিব লাগে যে বীমা কোম্পানী বোৰ কেৱল বিত্তীয়ভাৱে স্বচ্ছল সংস্থা হিচাপে বৰ্তি থকাই নহয়, সিহঁতৰ সামাজিক দায়বদ্ধতাও থাকিব লাগে। | বীমা হ’ল প্ৰকৃতাৰ্থত এটা আইনী চুক্তি, যিটো ভাৰতীয় বীমা আইন আৰু দেশৰ অন্য আইনবোৰৰ ব্যৱস্থা অনুযায়ী হয় | IRDA য়ে কোম্পানী বোৰক সিহঁতৰ পঞ্জীয়নৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে নিয়ন্ত্ৰণ কৰে আৰু বিনিয়োগ, গণনা ইত্যাদিৰ দৰে সিহঁতৰ সকলো প্ৰধান কাৰ্যকলাপ নিৰীক্ষণ কৰে। | 2 |
| 89 | বীমাৰ নিয়মাৱলীৰ মুখ্য উদ্দেশ্যটো কি? আটাইতকৈ উপযুক্ত উত্তৰটো বাচনি কৰক। | গ্ৰাম্য অঞ্চল আৰু জনসংখ্যাৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীটোৱে পৰ্য্যপ্ত বীমা সুৰক্ষা লাভ কৰাটো নিশ্চিত কৰিবলৈ | বীমা কোম্পানী বোৰে উপযুক্ত মুনাফা আহৰণ কৰাটো নিশ্চিত কৰিবলৈ যাতে তেওঁলোকে দীৰ্ঘকাল চলি থাকিব পাৰে | ভাৰতবৰ্ষৰ সকলো নাগৰিকলৈ বীমাৰ সুৰক্ষা প্ৰসাৰিত কৰাটো নিশ্চিত কৰিবলৈ | পলিচীধাৰকৰ হিতটো সুৰক্ষিত কৰিবলৈ | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 90 | ভাৰতবৰ্ষত এজেন্ট হিচাবে কাম কৰিবলৈ তলৰ কোনটো শাখাই অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে? | বিত্ত মন্ত্ৰণালয় | ভাৰত চৰকাৰ | জীৱন বীমা পৰিষদ (LIC) আৰু সাধাৰণ বীমা পৰিষদ (GIC) উমৈহতীয়া ভাৱে | IRDA | 4 |
| 91 | তলৰ কোনটো প্ৰতিস্থানে ভাৰতবৰ্ষত মূলধনৰ বজাৰখন নিয়ন্ত্ৰণ কৰে? | RBI | SEBI | IRDA | AMFI | 2 |
| 92 | নিম্নোক্ত প্ৰতিস্থানবোৰৰ কোনটোৱে ভাৰতবৰ্ষত বেংকবোৰক নিয়ন্ত্ৰণ কৰে? | RBI | SEBI | IRDA | AMFI | 1 |
| 93 | নিম্নোক্ত কোনটো প্ৰতিস্থানৰ দ্বাৰা তৃতীয় পক্ষৰ কৰ্তৃপক্ষবোৰক (TPAs) নিয়ন্ত্ৰণ কৰা হয়? | জীৱন বীমা পৰিষদ আৰু সাধাৰণ বীমা পৰিষদ উমৈহতীয়া ভাৱে | IRDA | ভাৰতৰ বীমা ব্ৰকাৰবোৰৰ সংস্থা | বিত্ত মন্ত্ৰণালয় | 2 |
| 94 | তলৰ কোনটো দেশৰ প্ৰাথমিক বীমা বিধান, যিয়ে ভাৰতবৰ্ষত বীমা ব্যৱসায়টো পৰিচালনা কৰে? | বীমাৰ অধিনিয়ম, 1938 | IRDA অধিনিয়ম, 1999 | বীমাৰ জমা আৰু ক্ৰেডিট গ্যেৰান্টী নিগম অধিনিয়ম, 1961 | ৰাজহুৱা দায়িত্ব বীমাৰ অধিনিয়ম, 1991 | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 95 | জীৱন বীমাকাৰী, সাধাৰণ বীমাকাৰী আৰু স্বাস্থ্য বীমাকাৰীৰ বাবে বীমাৰ এজেন্ট হিচাবে কাৰ্য কৰিবলৈ অনুজ্ঞাপত্ৰ ধাৰণ কৰা এজেন্টবোৰক কোৱা হয় ____________________ । | ব্ৰকাৰ | বাণিজ্যিক এজেন্ট | তৃতীয় পক্ষৰ কৰ্তৃপক্ষ | মিশ্ৰ বীমা এজেন্ট | 4 |
| 96 | বীমা উদ্যোগটোৰ নিয়ন্ত্ৰণ আৰু উন্নয়ণ কৰিবলৈ এটা স্বতন্ত্ৰ কৰ্তৃপক্ষ হিচাপে ______________ 2000 চনত প্ৰতিষ্ঠা কৰা হৈছিল । | RBI | SEBI | IRDA | AMFI | 3 |
| 97 | তলৰ কোনটো প্ৰতিস্থানে বীমাকাৰী আৰু মধ্যস্থতাকাৰী উভয়ৰ ওপৰত ন্যস্ত দায়িত্ববোৰত পলিচীধাৰকবোৰৰ স্বাৰ্থটো সুৰক্ষিত কৰিবৰ বাবে নিয়মাৱলীবোৰ নিৰ্ধাৰণ কৰে? | জীৱন বীমা পৰিষদ আৰু সাধাৰণ বীমা পৰিষদে উমৈহতীয়া ভাৱে | ভাৰতবৰ্ষৰ পলিচীধাৰক বোৰৰ সংস্থা (PAI) | IRDA | জীৱন বীমা নিগম আৰু সাধাৰণ বীমা নিগম উমৈহতীয়া ভাৱে | 3 |
| 98 | বীমা কোম্পানীবোৰৰ কাৰ্যবোৰ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণৰ বাবে তলৰ কোনটো অধিনিয়মত ব্যৱস্থাবোৰ আছে? | IRDA অধিনিয়ম, 1999 | বীমাৰ জমা আৰু ক্ৰেডিট গ্যেৰান্টী নিগম অধিনিয়ম, 1961 | ৰাজহুৱা দায়িত্ব বীমাৰ অধিনিয়ম, 1991 | বীমাৰ অধিনিয়ম, 1938 | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 99 | যদি বীমা প্ৰতিষ্ঠানে স্বাভাৱিক ৰিস্কতকৈ বেছি অথবা বীমাযোগ্য নোহোৱা আবেদনকাৰীবোৰক গ্ৰহণ কৰে, কিন্তু সিহঁতৰ প্ৰকৃত চৰ্ত অথবা অৱস্থাটো লুকুৱায়/হেৰফেৰ কৰে, যাতে সিহঁতে বীমা লাভ কৰে, তেন্তে এইটোক _______________ বুলি কোৱা হব । আটাইতকৈ উপযুক্ত বিকল্পটো বাচনি কৰক । | বীমা নিৰীক্ষণ | প্ৰতিকূল নিৰ্বাচন | আণ্ডাৰৰাই টিংৰ ভুল | প্ৰস্তাৱৰ পুনৰ বিবেচনা | 3 |
| 100 | বীমা অধিনিয়ম ___________ ত কাৰ্যকৰী হৈছিল । | 1 জুন 1938 | 1 জুলাই 1938 | 1 জুন 1939 | 1 জুলাই 1939 | 3 |
| 101 | IRDA ৰ অধিনিয়ম, 1999 ৰ অধীনত __________ চনত IRDA প্ৰতিষ্ঠা কৰা হৈছিল । | 1999 | 2000 | 2002 | 2003 | 2 |
| 102 | _____________ ৰ অধীনত বীমা পলিচি এটা লবৰ বাবে পতিয়ন নিয়াবলৈ ৰেহাই দিয়াৰ ব্যৱস্থাটো বীমাৰ অধিনিয়ম, 1938 য়ে বাধা দিয়ে । | খণ্ড 38 | খণ্ড 41 | খণ্ড 45 | খণ্ড 64VB | 2 |
| 103 | __________ ৰ অধীনত বীমা পলিচীবোৰৰ নামাংকনৰ বাবে বীমাৰ অধিনিয়ম, 1938 এ নিয়মবোৰ নিৰ্ধাৰণ কৰে । | খণ্ড 39 | খণ্ড 41 | খণ্ড 45 | খণ্ড 64VB | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 104 | নিৰ্ধাৰিত ব্যক্তিৰ নূন্যতম শিক্ষাগত অৰ্হতা হ’ল | দশম শ্ৰেণী | দ্বাদশ শ্ৰেণী | স্নাতক | স্নাতোকত্তৰ | 2 |
| 105 | বাণিজ্যিক বীমা এজেন্টবোৰক প্ৰদান কৰা অনুজ্ঞাপত্ৰখনৰ বৈধতাৰ সময়সীমাটো কিমান? | 3 বছৰ | 5 বছৰ | 10 বছৰ | আজীৱন | 2 |
| 106 | __________ দ্বাৰা সংহত অভিযোগ ব্যৱস্থাপনা প্ৰণালী (ইণ্টিগ্ৰেটেড গ্ৰীভেন্স মেনেজমেণ্ট ছিস্টেম) প্ৰৱৰ্তিত হৈছে। | ভাৰতীয় পলিচিধাৰক সংস্থা | আই আৰ ডি এ | লাইফ ইনশ্বিউৰেন্স কাউন্সিল | ভাৰত চৰকাৰ | 2 |
| 107 | তলৰ কোনটোৱে এটা বিধিসন্মত উপভোক্তা অভিযোগৰ ভিত্তি নিৰ্মাণ কৰিব পাৰে? | দোকানদাৰে পণ্যৰ ওপৰত কোনো ৰেহাই দিয়া নাই | দোকানদাৰে পেকেটৰ ওপৰত দিয়া ‘সৰ্বোচ্চ খুচুৰা বিক্ৰীৰ মূল্য’ অনুযায়ী পণ্যৰ দাম লৈ আছে | দোকানদাৰে এটা নিৰ্দ্দিষ্ট পণ্য আগ বঢ়োৱাত বিফল হৈছে | উপভোক্তাই ক্ৰয় কৰা সামগ্ৰীবোৰত এক বা একাধিক ত্ৰুটি আছে | 4 |
| 108 | তলৰ কোনটোৱে এটা বিধিসন্মত উপভোক্তা অভিযোগৰ ভিত্তি নিৰ্মাণ কৰিব নোৱাৰে? | দোকানদাৰে এটা পণ্যৰ বাবে নিৰ্দ্ধাৰিত 'সৰ্বোচ্চ খুচুৰা বিক্ৰীৰ মূল্য' তকৈয়ো বেছি দাম লৈ আছে | উপভোক্তাই ক্ৰয় কৰা সামগ্ৰীবোৰত এক বা একাধিক ত্ৰুটি আছে | দোকানদাৰে এটা নিৰ্দ্দিষ্ট পণ্য আগ বঢ়োৱাত বিফল হৈছে | অসাধু ব্যৱসায়-প্ৰথা বা একচেটিয়া কৈ নিয়ন্ত্ৰণমূলক ব্যৱসায় পদ্ধতি অৱলম্বন কৰা হৈছে | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 109 | তলৰ কোনটো বীমা উদ্যোগটোৰ অভিযোগ প্ৰতিবিধানৰ কাৰ্য্যসূচীটোৰ বিকাশ নিৰীক্ষণ কৰাৰ আহিলা? | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | আই জি এম এছ | ৰাজ্যিক আয়োগ | 3 |
| 110 | তলৰ কোনটো উপভোক্তা বিসম্বাদ প্ৰতিবিধান অভিকৰণৰ চিভিল কৰ্ট বা দেৱানী আদালতৰ ক্ষমতা আছে? | জিলা ফ'ৰাম | ৰাজ্যিক আয়োগ | ৰাষ্ট্ৰীয় আয়োগ | ওপৰৰ গোটেই কেইটা | 4 |
| 111 | ৰাজ্যিক আয়োগৰ ওপৰত নিৰীক্ষণমূলক এক্তিয়াৰ, তলৰ কোনটো উপভোক্তা বিসম্বাদ প্ৰতিবিধান অভিকৰণৰ আছে? | জিলা ফ'ৰাম | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | ওপৰৰ এটাও নহয় | 2 |
| 112 | কোনো বিসম্বাদৰ ক্ষেত্ৰত তলত উল্লিখিত কোনজনে বীমাকাৰক আৰু বীমাধাৰকৰ মাজত পাৰস্পৰিক চুক্তিৰ ভিত্তিত উল্লিখিত চৰ্তাৱলীৰ সীমাৰ ভিতৰত মধ্যস্থতাকাৰী বা পৰামৰ্শদাতা হিচাবে কাম কৰিব পাৰে? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছনি কৰক। | বীমা এজেণ্ট | লোকপাল | বীমাকাৰক | বীমা ব্ৰ'কাৰ | 2 |
| 113 | যদি কোনো গ্ৰাহক জিলা ফ'ৰামৰ আদেশত সন্তুষ্ট নহয়, তেন্তে এই আদেশৰ বিৰুদ্ধে তেওঁ কাৰ ওচৰত আপীল কৰিব পাৰিব? | ৰাজ্যিক আয়োগ | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | আপীল কৰিব নোৱাৰি | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 114 | যদি কোনো গ্ৰাহক ৰাজ্য কমিচনৰ আদেশত সন্তুষ্ট নহয়, তেন্তে এই আদেশৰ বিৰুদ্ধে তেওঁ কাৰ ওচৰত আপীল কৰিব পাৰিব? | জিলা ফ'ৰাম | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | আপীল কৰিব নোৱাৰি | 2 |
| 115 | ভাৰতবৰ্ষত উপভোক্তাসকলৰ বিসম্বাদ নিষ্পত্তি হেতুকে তলৰ কোনখন আইনে উপভোক্তা পৰিষদ তথা অন্যান্য কৰ্তৃপক্ষৰ প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰে? | বীমা অধিনিয়ম, 1938 | বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ অধিনিয়ম (আই.আৰ. ডি.এ), 1999 | বেংক ব্যৱসায় নিয়ন্ত্ৰণ অধিনিয়ম, 1949 | উপভোক্তা সুৰক্ষা (সংশোধনী) আইন, 2002 | 4 |
| 116 | ৰাজ্যিক আয়োগৰ ওপৰত তলৰ কোনটোৰ নিৰীক্ষণমূলক এক্তিয়াৰ আছে? | জিলা ফ'ৰাম | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | ওপৰৰ এটাও নহয় | 2 |
| 117 | অভিযোগৰ ক্ষেত্ৰত লোকপালে ৰায়ৰ দ্বাৰা সৰ্বাধিক কিমান ৰাশি প্ৰদান কৰিব পাৰে? | 10 লাখ টকালৈকে | 20 লাখ টকালৈকে | 50 লাখ টকালৈকে | 100 লাখ টকালৈকে | 2 |
| 118 | উপভোক্তা আদালতত অভিযোগ দাখিল কৰা প্ৰক্ৰিয়াৰ সন্দৰ্ভত তলৰ কোনটো বিবৃতি অশুদ্ধ? | অভিযোগকাৰীয়ে নিজৰ বাহিৰে আন কোনেও ৰাজ্য বা ৰাষ্ট্ৰীয় আয়োগত অভিযোগ দাখিল কৰিব নোৱাৰে | ৰাজ্যিক আয়োগ বা ৰাষ্ট্ৰীয় আয়োগত অভিযোগ দাখিল কৰিবৰ বাবে কোনো মাচুল নালাগে | অভিযোগ ব্যক্তিগতভাৱে জমা দিব পাৰি বা আনকি ডাকযোগেও পঠাব পাৰি | অভিযোগ দাখিল কৰাৰ বাবে কোনো আইনজীৱিৰ প্ৰয়োজন নাই | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 119 | উপভোক্তা সুৰক্ষা (সংশোধনী) আইন, 2002 অনুসৰি তলৰ কোনজন “উপভোক্তা”ৰ সংজ্ঞাত নপৰে? | যিকোনো ব্যক্তি, যিজনে এটা বিবেচনাযোগ্য মূল্যৰ বিনিময়ত কোনো সামগ্ৰী ক্ৰয় কৰে; এই সামগ্ৰীৰ ব্যৱহাৰকাৰী ও ইয়াৰ অন্তৰ্ভূক্ত হব | যিকোনো ব্যক্তি, যিজনে এটা বিবেচনাযোগ্য মূল্যৰ বিনিময়ত কোনো সেৱা ভাৰা কৰে অথবা কোনো সেৱাৰ সুযোগ গ্ৰহণ কৰে | যিকোনো ব্যক্তি, যিজনে কোনো সেৱাৰ সুযোগ গ্ৰহণ কৰে; এই সেৱাৰ হিতাধিকাৰী ও ইয়াৰ অন্তৰ্ভূক্ত হব | যিকোনো ব্যক্তি, যিজনে পুনৰবিক্ৰয় বা আন কিবা বাণিজ্যিক উদ্দেশ্যত সামগ্ৰী সংগ্ৰহ কৰে | 4 |
| 120 | অনুমোদন বা ৰেকমেণ্ডেশ্বনৰ ক্ষেত্ৰত লোকপালে পালন কৰিব লগা তলৰ কোনটো আচাৰ-বিধি শুদ্ধ নহয়? | এই ধৰণৰ অভিযোগ পোৱাৰ ছমাহৰ ভিতৰত অনুমোদন বা ৰেকমেণ্ডেশ্বন আগবঢ়াব লাগিব | অভিযোগকাৰী আৰু বীমা কোম্পানী দুয়োলৈ ইয়াৰ প্ৰতিলিপি পঠাব লাগিব | এই ধৰণৰ অনুমোদন বা ৰেকমেণ্ডেশ্বন লাভৰ পোন্ধৰ দিনৰ ভিতৰত অভিযোগকাৰীয়ে এই অনুমোদন বা ৰেকমেণ্ডেশ্বনবোৰ স্বীকাৰ (গ্ৰহণ) কৰাৰ সন্মতি লিখিতভাৱে জনাব লাগিব | বীমাধাৰী ব্যক্তিৰ স্বীকৃতিপত্ৰৰ এটা প্ৰতিলিপি বীমাকাৰকলৈ পঠাব লাগিব আৰু এই স্বীকৃতিপত্ৰ পোৱাৰ পোন্ধৰ দিনৰ ভিতৰত ইয়াৰ প্ৰাপ্তি স্বীকাৰ কৰি এটা লিখিত নিশ্চিতকৰণ বীমাকাৰকৰ পৰা দাবী কৰিব লাগিব | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 121 | যদি এজন পলিচিধাৰকে ৰাষ্ট্ৰীয় আয়োগৰ ওচৰত এটা অভিযোগ দাখিল কৰিব বিচাৰে, তেনেহ’লে তেওঁ কিমান মাচুল/ফিজ দিব লাগিব? | 100 টকা | দাবী ৰাশিৰ 2.5% অথবা 500 টকা (যিটোয়েই কম হ’ব) | দাবী ৰাশিৰ 1% | ৰাষ্ট্ৰীয় আয়োগত অভিযোগ দাখিল কৰাৰ বাবে কোনো মাচুল নালাগে | 4 |
| 122 | তলৰ কোনটো বীমা সম্পৰ্কিত অভিযোগসমূহৰ তথ্যৰ এটা কেন্দ্ৰীয় ভঁৰাল? | ৰাষ্ট্ৰীয় আয়োগ | লোকপাল | আই জি এম এছ | ৰাজ্য কমিচন | 3 |
| 123 | তলৰ কোনটো উপভোক্তা বিসম্বাদ প্ৰতিবিধান অভিকৰণে জিলা ফ’ৰামৰ পৰা আপীল গ্ৰহণ কৰে? | ৰাজ্যিক আয়োগ | ৰাষ্ট্ৰীয় আয়োগ | আই আৰ ডি এ | আপীল কৰিব নোৱাৰি | 1 |
| 124 | তলৰ কোনটো উপভোক্তা বিসম্বাদ প্ৰতিবিধান অভিকৰণে কোনো ৰাজ্যিক আয়োগে দিয়া আদেশৰ বিৰুদ্ধে কৰা আপীল গ্ৰহণ কৰিব পাৰে? | জিলা ফ’ৰাম | ৰাষ্ট্ৰীয় আয়োগ | আই আৰ ডি এ | আপীল কৰিব নোৱাৰি | 2 |
| 125 | যদি কোনো পলিচিধাৰকে এটা অভিযোগৰ বিপৰীতে বীমা কোম্পানীৰ পৰা 20 লাখ টকালৈকে ক্ষতিপূৰণ বিচাৰে, তেনেহ’লে ক’ত তেওঁ গোচৰ দাখিল কৰিব লাগিব? সৰ্বাধিক উপযুক্ত বিকল্পটো বাছক । | জিলা ফ’ৰাম | ৰাজ্যিক আয়োগ | ৰাষ্ট্ৰীয় আয়োগ | আই আৰ ডি এ | 1 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 126 | নিম্নোক্তবোৰৰ কোনটো সেৱাৰ মানদণ্ডৰ এটা প্ৰত্যক্ষ সূচক নহয় | নিৰ্ভৰযোগ্যতা | সহানুভূতি | নিশ্চয়তা | বিক্ৰীৰ ডাটা | 4 |
| 127 | নিম্নোক্তবোৰৰ কোনটো গ্ৰাহকৰ জীৱনজোৰা মূল্যটোৰ হকে এটা বৰঙণি দিওতা নহয় | ঐতিহাসিক | বৰ্তমান | সাম্ভাব্য | কল্পিত | 4 |
| 128 | IGMS ৰ বাবে শুদ্ধ প্ৰসাৰিত ৰূপটো নিৰ্বাচন কৰক | ইণ্ডো-জাৰ্মান মেনজমেন্ট স্কুল | অখণ্ডিত চৰকাৰী পৰিচালনা প্ৰণালী বা ইন্টিগ্ৰেটেড গভৰ্মেন্ট মেনেজমেন্ট চিষ্টেম | ইণ্ডো-জে'নম মেপিং আঁচনি | অখণ্ডিত অভিযোগ পৰিচালনা প্ৰণালী বা ইন্টিগ্ৰেটেড গ্ৰিভান্স মেনেজমেন্ট চিষ্টেম | 4 |
| 129 | ______________ হল নিয়ম আৰু নিয়মাৱলীবোৰৰ এটা সমষ্টি যিয়ে পলিচীধাৰকবোৰৰ অভিযোগ আৰু আপত্তিবোৰ কাৰ্যকৰীভাৱে সম্বোধিত কৰিবলৈ নিয়ম আৰু নিৰ্দেশনাবোৰ নিৰ্ধাৰণ কৰে। | অভিযোগ পৰিচালনাৰ প্ৰক্ৰিয়াবোৰ | অভিযোগ নিবাৰণ প্ৰক্ৰিয়া | ৰিস্কৰ অভিযোগ প্ৰক্ৰিয়া | নষ্টৰ অভিযোগ প্ৰক্ৰিয়া | 2 |
| 130 | ____________ য়ে নিয়মবোৰ ৰাজহুৱা অভিযোগ নিবাৰণৰ নিয়ম, 1998 হিচাবে প্ৰস্তুত কৰিছে। | IRDA | NBFC | SEBI | কেন্দ্ৰীয় চৰকাৰ | 4 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 131 | লিখিত কাৰণ দৰ্শাই নিৰ্ধাৰণ বা বদলিটোৰ বিষয়ে পলিচী ধাৰকক জনোৱাটো __________ৰ আগত নিবেদন কৰাৰ দ্বাৰা প্ৰত্যাহ্বান জনাব পাৰি । | অভিযোগ প্ৰতিবিধান কৰ্তৃপক্ষ | উপভোক্তা প্ৰতিবিধান কৰ্তৃপক্ষ | বিক্ৰেতা প্ৰতিবিধান কৰ্তৃপক্ষ | প্ৰশাসনিক প্ৰতিবিধান কৰ্তৃপক্ষ | 1 |
| 132 | ______ ৰ অধীনত লোকপালৰ জৰিয়তে বীমাধাৰী ব্যক্তিয়ে বিতৰ্ক এটা নিস্পত্তি কৰিব পাৰে | অভিযোগ পৰিচালনাৰ প্ৰক্ৰিয়া | অভিযোগ প্ৰতিবিধান প্ৰক্ৰিয়া | ৰিস্কৰ অভিযোগ প্ৰক্ৰিয়া | ৰাজহুৱা অভিযোগৰ নিয়মবোৰৰ প্ৰতিবিধান | 4 |
| 133 | তলৰ কোনটো উপভোক্তা সুৰক্ষা আইনৰ মুখ্য উদ্দেশ্য?<br>(i) পলিচীধাৰকৰ হিতবোৰ সুৰক্ষিত কৰিবলৈ<br>(ii) বিনিয়োগকৰ্তাৰ হিতবোৰ সুৰক্ষিত কৰিবলৈ<br>(iii) উপভোক্তাৰ অভিযোগবোৰৰ সাধাৰণ, দ্ৰুত আৰু কম খৰচতে নিবাৰণৰ সুবিধাটো দিবলৈ | কেৱল উক্তি (i) টো শুদ্ধ | (i) আৰু (ii) দুয়োটা উক্তি শুদ্ধ | কেৱল উক্তি (iii) টো শুদ্ধ | (i) আৰু (iii) দুয়োটা উক্তি শুদ্ধ | 3 |
| 134 | "ৰাজহুৱা অভিযোগ প্ৰতিবিধানৰ নিয়মবোৰ, 1998", _________ ত প্ৰৱৰ্তন হৈছিল | 12-অক্টোবৰ -1991 | 11-নভেম্বৰ -1998 | 13-ডিচেম্বৰ-1997 | 14-ছেপ্তেম্বৰ-1983 | 2 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 135 | তলৰ কোনটো ৰাজহুৱা অভিযোগবোৰ প্ৰতিবিধানৰ নিয়মবোৰৰ এটা উদ্দেশ্য?<br>(i) বিতৰ্কবোৰৰ নিষ্পত্তি সম্পৰ্কীয় অভিযোগবোৰ সমাধান কৰিবলৈ লক্ষ্য স্থিৰ কৰা<br>(ii) উপভোক্তাৰ হিতৰ সুৰক্ষা<br>(iii) উপভোক্তালৈ অভিযোগবোৰ আগবঢ়োৱা | কেৱল উক্তি (i) টো শুদ্ধ | (i) আৰু (ii) দুয়োটা উক্তি শুদ্ধ | কেৱল উক্তি (iii) টো শুদ্ধ | (i) আৰু (iii) দুয়োটা উক্তি শুদ্ধ | 1 |
| 136 | তলৰ কোনটো লোকপালৰ কাৰ্য্যি?<br>(i) উপভোক্তাৰ অভিযোগবোৰ প্ৰতিবিধান<br>(ii) উপভোক্তাৰ হিতৰ সুৰক্ষা<br>(iii) পলিচীধাৰকবোৰৰ পৰা অহা অভিযোগবোৰ প্ৰতিবিধান | কেৱল উক্তি (i) টো শুদ্ধ | (i) আৰু (ii) দুয়োটা উক্তি শুদ্ধ | কেৱল উক্তি (iii) টো শুদ্ধ | (i)আৰু (iii) দুয়োটা উক্তি শুদ্ধ | 3 |

| S. No. | Question Body | Alternative 1 | Alternative 2 | Alternative 3 | Alternative 4 | Correct Alternative |
|---|---|---|---|---|---|---|
| 137 | আয়োগৰ দ্বাৰা তলৰ কোনটোৰ লগত লেনদেন কৰিবলৈ অভিযোগ প্ৰতিবিধান কৰ্তৃপক্ষবোৰ (GRA) গঠন কৰা উচিত বুলি অনুমোদন কৰা হৈছে?<br>(i) বীমাধাৰী ব্যক্তি আৰু বীমাকাৰীৰ মাজৰ বিতৰ্কবোৰ<br>(ii) বীমাধাৰী ব্যক্তি আৰু মধ্যস্থতাকাৰীবোৰৰ মাজৰ বিতৰ্কবোৰ<br>(iii) বীমাকাৰী আৰু মধ্যস্থতাকাৰীবোৰৰ মাজৰ বিতৰ্কবোৰ<br>(iv) বীমাধাৰী ব্যক্তি, বীমাকাৰী আৰু মধ্যস্থতাকাৰীবোৰৰ মাজৰ যিকোনো বিতৰ্ক | (i) আৰু (ii) দুয়োটা উক্তি শুদ্ধ | (i) আৰু (iii) দুয়োটা উক্তি শুদ্ধ | (ii) আৰু (iii) দুয়োটা উক্তি শুদ্ধ | কেৱল উক্তি (iv) টো শুদ্ধ | 4 |
| 138 | বীমাধাৰী ব্যক্তি আৰু বীমাকাৰীৰ মাজৰ বিতৰ্কবোৰৰ সৈতে কোনে লেনদেন কৰিব? | উপভোক্তাৰ গোট | অভিযোগ প্ৰতিবিধান কৰ্তৃপক্ষবোৰ (GRA) | উপভোক্তাৰ কৰ্তৃপক্ষ | উপভোক্তা আয়োগ | 2 |
